2016

# ASSAMESE

## ASM : 2.05(C)

## DIALECTOLOGY & DIALECTS OF ASSAMESE LANGUAGE

Full Marks : 80

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা ঃ ১ × ১০ = ১০

(ক) ভাষাৰ সংকীৰ্ণতম ৰূপ কি?

(খ) লিঅ'নাৰ্ড ব্লুমফিল্ডে ভাষাৰ মান কেইটা বুলি কৈছে?

(গ) 'Dialogues' গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) ভাষাবিজ্ঞানীসকলে কেতিয়াৰ পৰা ভাষাৰ অধ্যয়নৰ প্ৰসংগত প্ৰণালীৱদ্ধভাৱে উপভাষা অধ্যয়নৰ প্ৰতি মনোযোগ দিয়ে?

(ঙ) অসমত উপভাষা অধ্যয়নৰ পথ কোনে মুকলি কৰে?

(চ) 'দেশীভাষা' বুলিলে কোনটো ভাষাক বুজায়?

(ছ) কামৰূপী উপভাষাত শ্বাসাঘাত শব্দৰ ক'ত পৰে?

(জ) গোৱালপৰীয়া উপভাষাত প্ৰাপ্ত পাঁচটা স্বৰযুক্ত যিকোনো এটা শব্দ লিখা।

(ঝ) মান্য অসমীয়াত প্ৰয়োগ হোৱা ধ্বনি পৰিৱৰ্ত্তনৰ প্ৰক্ৰিয়াসমূহ কামৰূপী উপভাষাতো প্ৰযোজ্যনে?

(ঞ) গোৱালপৰীয়া উপভাষাত ক্ৰিয়াৰ নঞাৰ্থক ৰূপ কি?



ৰিপিঠিত

২। চমু উত্তৰ লিখা ঃ ২ × ৫ = ১০

(ক) ভাষা আৰু উপভাষাৰ মাজত থকা প্ৰধান পাৰ্থক্য দুটা কি কি?

(খ) বৰ্ণভাষা কেনেকৈ সৃষ্টি হয়?

(গ) এইছ, এ গ্ৰীছনে সামাজিক উপভাষাক কেনেদৰে ভগাইছে লিখা।

(ঘ) সামগ্ৰিকভাৱে কামৰূপী উপভাষা কেইটা আৰু কি কি আঞ্চলিক ৰূপত বিভক্ত?

(ঙ) গোৱালপৰীয়া উপভাষাৰ পূৰ্বী শাখাৰ অন্তৰ্গত ভাষা দুটা কি কি?

৩। চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ × ২ = ১০

(ক) দ্বিপাৰ্শ্বী ভাষা (Diglossia)

(খ) উপভাষাৰ সীমা নিৰ্দ্ধাৰক (Isogloss)

(গ) কামৰূপী উপভাষাত অনুনাসিকতা

(ঘ) গোৱালপৰীয়া উপভাষাৰ নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয়

৪। উপভাষা (Dialect) কাক বোলে? এটা উপভাষাই কেনেকৈ মান্যভাষা (Standard Language) লৈ পৰিণত হয় লিখা। ২ + ৫ = ৭

অথবা

অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে বিভিন্ন ভাষাবিদে কি কি মন্তব্য আগবঢ়াইছে লিখা। ৭

৫। কামৰূপী উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য দাঙি ধৰি ইয়াৰ স্বকীয়তা প্ৰতিপন্ন কৰা। ৭

অথবা

গোৱালপৰীয়া উপভাষাত প্ৰাপ্ত দ্বিস্বৰ আৰু ত্ৰিস্বৰসমূহৰ এখন তালিকা প্ৰস্তুত কৰি প্ৰতিটো স্বৰে অন্ততঃ এটাকৈ উদাহৰণ দিয়া। ৭

*পিপিঠিত*



তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

৬। উপভাষাবিজ্ঞান (Dialectology) ৰ সংজ্ঞা দিয়া। উপভাষা সৃষ্টিৰ কাৰকবোৰৰ ব্যাখ্যা আগবঢ়াই পৰিস্থিতি সাপেক্ষে এটা উপভাষাৰ কেনেকৈ মৃত্যু ঘটিব পাৰে বিচাৰ কৰা। ২ + ১০ = ১২

৭। উপভাষা ভূগোল (Dialect Geography) কি? উপভাষা ভূগোলৰ সকলো দিশৰে সবিশেষ আলোচনা দাঙি ধৰা। ২ + ১০ = ১২

৮। কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহ সৃষ্টিত কি কি কাৰকে প্ৰভাৱ পেলাইছে, পৰ্যালোচনা কৰা। ১২

৯। 'গোৱালপৰীয়া উপভাষাৰ শব্দভাণ্ডাৰ' — এই শিতানত এটি প্ৰবন্ধ যুগুত কৰা। ১২

১০। কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ মাজৰ ভাষাগত পাৰ্থক্যসমূহ বিচাৰি উলিয়াই প্ৰত্যেকৰে উদাহৰণ দিয়া। ১২

—— × ——